# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ হাৰিয়ানাৰ জিন্দ ৰে'লৰে ষ্টেচনত জিন্দ আৰু শোনিপটৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন হাইড্ৰ'জেন ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব।

২। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালে অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সৈতে যুঁজ দিয়াৰ বাবে বিমষ্টেক সদস্য ৰাষ্ট্ৰসমূহৰ মাজত ব্যাপক সহযোগিতাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

৩। ওড়িশাৰ পুৰীত প্ৰভু জগন্নাথৰ বিশ্ববিখ্যাত ৰথযাত্ৰাৰ আজি শুভাৰম্ভ কৰা হ'ব। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৰথযাত্ৰা উপলক্ষে দেশ-বিদেশৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। দিল্লী উচ্চ ন্যায়ালয়ে আজি সমাজকৰ্মী চোনম ৱাংচুকৰ স্বাস্থ্য দৈনিক নিৰীক্ষণ কৰিবলৈ কৰ্তৃপক্ষসমূহক নিৰ্দেশ দিয়ে।

আৰু

৫। আৰ্জেণ্টিনা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ হাৰিয়ানাৰ জিন্দ ৰে'লৰে ষ্টেচনত জিন্দ আৰু শোনিপটৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন হাইড্ৰ'জেন ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। হাইড্ৰ'জেনক বিদ্যুৎ শক্তিলৈ ৰূপান্তৰ কৰি ইন্ধন কোষ প্ৰযুক্তিৰে এই ৰে'লখন চলোৱা হ'ব। এই প্ৰক্ৰিয়াত উপজাত দ্ৰব্য হিচাপে কেৱল জলীয় বাষ্প নিৰ্গত হোৱাৰ ফলত ৰে'লখন চলাচলৰ সময়ত কাৰ্বন নিৰ্গমন শূন্য হয়। ভাৰতত প্ৰস্তুত কৰা নক্সা আৰু অভিযান্ত্ৰিক শৈলীৰে থলুৱা প্ৰযুক্তিৰে বিকশাই তোলা এই ৰে'লখনে দেশৰ ক্ৰমবিকশিত ৰে'লৰে প্ৰযুক্তিৰ সামৰ্থ্যকে প্ৰতিপন্ন কৰিছে।

কাইলৈৰ পৰা হাৰিয়ানা, চণ্ডীগড় আৰু পঞ্জাব ভ্ৰমণ কৰিবলগীয়া শ্ৰীমোদীয়ে এই ভ্ৰমণকালত জিন্দৰ একলব্য ষ্টেডিয়ামত ১৪ হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰিব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ বিয়লি চণ্ডীগড়লৈ গৈ তাত ৬ হাজাৰ ৬০০ কোটি টকাৰো অধিক ব্যয়সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্যসেৱা, শিক্ষা আৰু পথ আন্তঃগাঁথনি প্ৰকল্প আছে। তেওঁ চণ্ডীগড়ত নৱনিৰ্মিত অত্যাধুনিক মাতৃ আৰু শিশু কেন্দ্ৰ তথা স্নাতকোত্তৰ চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানত নিৰ্মিত আধুনিক স্নায়ু বিজ্ঞান কেন্দ্ৰৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পাছতে পঞ্জাৱৰ জলন্ধৰত ৫ হাজাৰ ৪৭০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

000000000

ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালে গোলকীয় যোগান শৃংখলা বিঘ্নিতকৰণকে ধৰি অৰ্থনৈতিক প্ৰত্যাহ্বানসমূহৰ সৈতে যুঁজ দিয়াৰ বাবে BIMSTEC সদস্য ৰাষ্ট্ৰসমূহৰ ব্যাপক সহযোগিতাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত BIMSTEC ৰাষ্ট্ৰীয় সুৰক্ষা মুৰব্বীসকলৰ পঞ্চম বৈঠকত ভাষণ দি শ্ৰীডোভালে কয়, যে গোলকীয় যোগান শৃংখলাৰ বিঘ্নিতকৰণে সকলো ৰাষ্ট্ৰৰ বাবে অৰ্থনৈতিক সমস্যাৰ সৃষ্টি কৰিছে। তেওঁ কয়, যে ইয়াৰ বাবে BIMSTEC সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সমন্বয়ৰ লগতে পাৰস্পৰিক লাভৰ বাবে নিৰ্ণায়ক পদক্ষেপ গ্ৰহণ আৰু পাৰস্পৰিক আলোচনাৰ জৰিয়তে সমাধান উলিওৱাটো অত্যন্ত প্ৰয়োজন হৈ পৰিছে। শ্ৰীডোভালে সুৰক্ষাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন প্ৰত্যাহ্বানৰ সৈতে যুঁজ দিয়াৰ লগতে

আঞ্চলিক উন্নয়নৰ উদ্দেশ্যে BIMSTEC সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ সহযোগিতা বৃদ্ধিৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। সন্ত্ৰাসবাদ, সংগঠিত দুৰ্নীতি, চাইবাৰ ভাবুকি আৰু সামুদ্ৰিক সুৰক্ষাৰ প্ৰত্যাহ্বানসমূহৰ ক্ষেত্ৰত সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ সহযোগিতা পূৰ্বতকৈ বহু বৃদ্ধি পাইছে বুলি তেওঁ লগতে উল্লেখ কৰে।

০০০০০০০০০

ওড়িশাৰ পুৰীত প্ৰভু জগন্নাথ আৰু তেওঁৰ দুগৰাকী সহোদৰ-সহোদৰা বলভদ্ৰ আৰু দেৱী সুভদ্ৰাৰ বিশ্ববিখ্যাত ৰথযাত্ৰাৰ আজি শুভাৰম্ভ কৰা হ'ব। এই বাৰ্ষিক উৎসৱত প্ৰভু জগন্নাথ, তেওঁৰ জ্যেষ্ঠ ভাতৃ বলভদ্ৰ আৰু ভগ্নী সুভদ্ৰাক ৰথত তুলি ৰাইজক দৰ্শন কৰোৱাৰ লগতে প্ৰভু জগন্নাথৰ মাহীয়েকৰ বাসগৃহ হিচাপে বিশ্বাস কৰা গুন্দিছা মন্দিৰলৈ লৈ যোৱা হয়। পুৰীৰ জগন্নাথ মন্দিৰত আৰম্ভ হোৱা এই ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ যাত্ৰাৰ গুন্দিছা মন্দিৰত সামৰণি পৰে। তিনিওজনা ভগৱানকে ৯ দিনৰ বাবে গুন্দিছা মন্দিৰত ৰখাৰ পাছত একেইকেইখন ৰথতে শ্ৰীমন্দিৰলৈ লৈ যোৱা হয় আৰু এই যাত্ৰাক বহুডা যাত্ৰা বুলি কোৱা হয়। পুৰীৰ শ্ৰীমন্দিৰ প্ৰশাসনে এই ৰথযাত্ৰাৰ পৰিপ্ৰেক্ষিতত বৃহৎ সংখ্যক লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জনসাধাৰণৰ সুৰক্ষাৰ বাবে কেইবাতৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

পুৰীৰ সমান্তৰালভাৱে আজি দেশৰ বিভিন্ন প্ৰান্তত ৰথ যাত্ৰাৰ আয়োজন কৰা হৈছে। ঝাৰখণ্ডতো প্ৰভু জগন্নাথৰ ৰথযাত্ৰা ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে আয়োজন কৰা হৈছে। ৰথ যাত্ৰাৰ মূল কাৰ্যসূচী ৰাঁচীৰ ধুৰ্ৱাৰ ঐতিহাসিক জগন্নাথ মন্দিৰত অনুষ্ঠিত হ'ব। এই উপলক্ষে আজি পুৱাৰে পৰা মন্দিৰ চৌহদত উলহ-মালহ পৰিৱেশে বিৰাজ কৰিছে। মৌচিবাৰী অভিমুখে এই ৰথযাত্ৰা আজি বিয়লি ৫ বাজি ১ মিনিটত শুভাৰম্ভ কৰা হ'ব। জিলা প্ৰশাসনে ৰথযাত্ৰা সুকলমে সম্পন্ন কৰাৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। অঞ্চলটোত চিচিটিভিৰ জৰিয়তে নিৰীক্ষণৰ ব্যৱস্থা কৰাৰ লগতে ভালেসংখ্যক সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। ইপিনে হাজাৰীবাগত ইস্কনৰ উদ্যোগত আই আই টি বিশেষজ্ঞৰ সহায়ত বিশেষ প্ৰযুক্তিৰে নিৰ্মাণ কৰা এখন ৪০ ফুট দৈৰ্ঘ্যৰ ৰথত ৰথযাত্ৰা উলিওৱা হ'ব।

অসমৰ ধুবুৰীৰ ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশালৰ ৰামৰায়কুঠী সত্ৰত বৰ্ণাঢ্য কাৰ্যসূচী শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৰ ৰথযাত্ৰাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে প্ৰায় ৩৫০ বছৰ ধৰি এই সত্ৰখনত ৰথযাত্ৰা অনুষ্ঠিত হৈ আহিছে। প্ৰতিবাৰৰ দৰে আজিৰ এই ৰথযাত্ৰাত অসমৰ লগতে পশ্চিমবংগৰ অগণন ভক্তই অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। জিলাখনৰ সাপটগ্ৰামৰ শ্ৰীলীলানন্দ ঠাকুৰৰ আশ্ৰম আৰু বিলাসীপাৰাৰ মদনমোহন আখড়াৰাৰীতো বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৰ ৰথযাত্ৰাৰ আয়োজন কৰাৰ হৈছে।

ডিব্ৰুগড়ৰ খনিকৰত আজি জগন্নাথৰ দ্বাদশ ৰথ যাত্ৰা ধৰ্মীয় ৰীতি-নীতিৰে উদযাপন কৰা হ'ব। আজি বিয়লি ২ বজাত খনিকৰৰ জগন্নাথ মন্দিৰত ৰথ যাত্ৰা আৰম্ভ হ'ব আৰু কাছাৰবাৰীস্থিত আউনীআটি সত্ৰলৈ যাত্ৰা কৰি পুনৰ মন্দিৰলৈ উভতি আহিব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি এই উৎসৱত অংশ ল'ব।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জগন্নাথ ৰথযাত্ৰা উপলক্ষে দেশ-বিদেশৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয়, যে এই ৰথযাত্ৰাত মহাপ্ৰভু জগন্নাথে চক্ৰৰাজ সুদৰ্শন, জ্যেষ্ঠ ভাতৃ বলোভদ্ৰ আৰু ভগ্নী সুভদ্ৰাৰ সৈতে ভক্তসকলক সাক্ষাৎ কৰিবলৈ আহে বুলি বিশ্বাস প্ৰচলিত আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে মহাপ্ৰভু জগন্নাথৰ কৃপাৰে দেশৰ জনসাধাৰণ সুখ আৰু সমৃদ্ধিশালী হ'ব বুলি আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি শ্ৰী ৰাধাকৃষ্ণণে কয়, যে এই পৱিত্ৰ ৰথ যাত্ৰাই সকলো বিভেদৰ ঊৰ্ধত জনসাধাৰণৰ ভক্তি, বিশ্বাস, সমতা আৰু সম্প্ৰীতিৰ প্ৰমূল্যক প্ৰতিফলিত কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে ৰথযাত্ৰা উপলক্ষে জনসাধাৰণক দিয়া শুভেচ্ছা বাৰ্তাত কয়, যে এই ৰথযাত্ৰা ভাৰতৰ কালজয়ী আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্যৰ নিদৰ্শনস্বৰূপ। ৰথযাত্ৰাৰ সৈতে জড়িত পৰম্পৰাই দেশ-বিদেশৰ জনসাধাৰণক প্ৰজন্মৰ পৰা প্ৰজন্মলৈ নিঃস্বাৰ্থ সেৱা, বিনম্ৰতা আৰু ঐক্যবদ্ধ অংশগ্ৰহণৰ বাবে উৎসাহিত কৰে।

০০০০০০

দিল্লী উচ্চ ন্যায়ালয়ে আজি সমাজকৰ্মী চোনম ৱাংচুকৰ স্বাস্থ্য দৈনিক নিৰীক্ষণ কৰিবলৈ কৰ্তৃপক্ষসমূহক নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশ বি কে উপাধ্যায় আৰু ন্যায়াধীশ তেজস কৰিয়াক লৈ গঠিত এখন বিচাৰপীঠে কয়, যে নতুন দিল্লীৰ যন্তৰ-মন্তৰত অনিৰ্দিষ্ট কাললৈ অনশন কৰি থকা ৱাংচুকৰ স্বাস্থ্য পৰীক্ষা চৰকাৰী চিকিৎসকে নিয়মীয়াভাৱে কৰা উচিত। কেন্দ্ৰীয় আৰু দিল্লী চৰকাৰৰ হৈ ওকালতি কৰা ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই শুনানিৰ সময়ত কয়, যে প্ৰতিগৰাকী ব্যক্তিৰ জীৱন অমূল্য আৰু ৱাংচুকৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষাক লৈ কোনোধৰণৰ আপত্তি থাকিব নোৱাৰে।

০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই উত্তৰ প্ৰদেশৰ বাৰাণসীৰ বাবে ২৫ হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ দুটা এলিভেটেড ঘাইপথ প্ৰকল্পত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাৰ অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে এই প্ৰকল্পত অনুমোদন জনায়। ইয়াৰ ফলত বাৰাণসীলৈ যাত্ৰাৰ সময় আৰু যান-জঁট হ্ৰাস পোৱাৰ লগতে পথ যোগাযোগ ব্যৱস্থা উন্নীত হ'ব। এই প্ৰকল্পৰ অধীনত ১৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু বাৰাণসী ৰিং ৰোডৰ মাজত ব্যক্তিগত-চৰকাৰী অংশীদাৰিত্বৰে ৪৬ কিলোমিটাৰ ছশৰীয়া গ্ৰীণ-ফিল্ড এলিভেটেড কৰিড'ৰ নিৰ্মাণ কৰা হ'ব। এই প্ৰকল্প নিৰ্মাণত ১৪ হাজাৰ ৪০০ কোটি টকাৰো অধিক ব্যয় হ'ব। নতুন দিল্লীত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, এই প্ৰকল্পৰ অধীনত যে বৰুণা নদীৰ পাৰত ১১ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে ৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ছশৰীয়া আৰু চাৰিশৰীয়া এলিভেটেড কৰিড'ৰ নিৰ্মাণ কৰা হ'ব।

০০০০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ বিগত সংস্কৰণৰ বিজয়ী আৰ্জেণ্টিনাই এইবেলিও দ্বিতীয়টো দল হিচাপে ফাইনেলত প্ৰৱেশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ আটলাণ্টা ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত আৰ্জেণ্টিনাই ইংলেণ্ডক ২-১ গ 'লত পৰাস্ত কৰে। প্ৰথমাৰ্ধ গ 'লবিহীনভাৱে সমাপ্ত হোৱা খেলখনৰ ৫৫ মিনিটত ইংলেণ্ডৰ হৈ এণ্টনি গৰ্ডনে প্ৰথম তথা একমাত্ৰ গ 'লটো দিয়ে। খেলৰ ৮৫ মিনিটত আৰ্জেণ্টিনাৰ এনজো ফাৰ্নাণ্ডেজে দলৰ হৈ প্ৰথমটো গ'লেৰে ইংলেণ্ডৰ সৈতে সমতা স্থাপন কৰে আৰু ৯২ মিনিটত লাউটাৰো মাৰ্টিনেজে বিজয়সূচক গ'লটো দিয়ে।

প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ১৯ জুলাইত স্পেইন আৰু আৰ্জেণ্টিনাৰ মাজত মিয়ামি ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ২ বাজি ৩০ মিনিটত আৰম্ভ হ'ব।

০০০০০০০০

সমাপ্ত